( পদ্মা পুৰাণৰ এটি খণ্ড )

# উষা-হৰণ

সুকবি নাৰ[redacted]ৰ ৰচিত

তৃতীয় বাৰ—[redacted]ন্মাষ্টমী



প্ৰসন্ন বৰুৱা

—ৰজনীপ্ৰভা এজেন্সি—

পোঃ কমাৰকুছি

# প্ৰকৃতি বন্দনা।

—:•:—

বন্দো পৰকিতি দেৱী ভগৱতী
তুমি মাতৃ জগতৰে।
ব্ৰহ্মাৰূপে সৃজা বিষ্ণুৰূপে পালা
ৰুদ্ৰ ৰূপতে সংহাৰে॥
দশভূজা ৰূপে জগত উদ্ধাৰে
মুক্ত কৰা যত জীৱ।
কালৰূপ ধৰি পাপী নাশ কৰি
জীৱ কৰা তুমি শিৱ॥
তোমাৰ মহিমা বুজিতে অসীমা
সাধুসৱ হোৱে মুগ্ধ।
প্ৰকৃতি পুৰুষ হৰিহৰ এক
গুণি কৰে চিত্ত শুদ্ধ॥
দেৱদেৱী এক বোলে বিজ্ঞলোক
ভজো প্ৰকৃতিৰ পাৰে।

তোমাৰ গৰ্ভত প্ৰলয় ত্ৰিজগত
সুৰাসুৰে পদ সেৱে॥
উৰণ বুৰণ গজন ভ্ৰমন
তোমাৰ উদৰে স্থিতি।
সুপূজ্য তোমাক ভজিবেক কাক
ভক্তসৱে কৰে স্তুতি॥
চন্দ্ৰ দিবাকৰ নক্ষত্ৰ সকল
বায়ু বহ্নি জল স্থল।
নদ নদী যত সাগৰ সমস্ত
তোমাৰ শকতি ফল॥
বৰভাগ ধামে উলাবৰি গ্ৰামে
যাহাৰ প্ৰতাপ নাম।
অতি মূঢ়মতি কহয় যুগুতি
প্ৰকৃতি কৰো প্ৰণাম॥

# উষা-হৰণ।

—:•:—

দিহা—নন্দৰ নন্দন হৰি দেখিলো ক'তে।
বাহিৰ হৈয়া দেখে বধু খঞ্জনিকা য'তে॥
ছয় পুত্ৰ মৰি চান্দোৰ শূণ্য হৈলা পুৰী।
চান্দোৰ মন্দিৰে কান্দে সোণাই সুন্দৰী।

GOVERNMENT OF
DISTRICT LIBRARY.

চান্দো বোলে শুনা ৰাণী আমাৰ বচন ।
মোৰেই শপত তুমি নকৰা ক্রন্দন ॥
দৈৱৰ নির্ব্বন্ধে তোমাৰ ছয় পুত্র মৰে ।
আমাৰ কুশলে পুত্র হৈবো তোমাৰ ঘৰে ॥

সোণাই সহিতে চান্দো আছন্ত কৌতুকে ।
ৰথে থাকি পদ্মাৱতী দেখয় সন্মুখে ॥
যুগুতি কৰিলা পদ্মা নেতাৰ সহিতে ।
চন্দ্রধৰৰ পূজা বৈনা খাইবো কেন মতে ॥

নেতা বোলে শুনা পদ্মা আমাৰ বচন ।
ইন্দ্রৰ পুৰীক তুমি কৰহ গমন ॥
তেবেসে জিনিবা কার্য্য জয় বিষহৰি ।
ঊষা অনিৰুদ্ধ আনা ইন্দ্রত ভিক্ষা কৰি ॥

ঊষাক জন্ম দিবা নিয়া শাহে ৰাজাৰ ঘৰে ।
অনিৰুদ্ধক দিবা জন্ম সোণেকা উদৰে ॥
দুয়ো জনক জন্ম দিলা জাতিস্মৰ কৰিয়া ।
শাহে চান্দো মিলি দুইকো কৰাই দিবো বিয়া ॥

কালৰাত্রি লখিন্দাৰক খাইবো কালী নাগে ।
ভাসাইয়া দিবো সাধু গুঞ্জুৰী সাগৰে ॥

L ' ': ' ' . . ' ':
If handled carefully with clean hands



দেৱপুৰে নিয়া বেউলাই লখাইক জীয়াবো।
প্ৰত্যেকে জানিয়া সাধু তোমাক পূজিব ॥
নেতাৰ বচন পদ্মা শুনিয়া যতনে।
হংস ৰথে উঠি গৈলা ইন্দ্ৰৰ ভুবন ॥

দিহা—এ দেবী পদোমাই
কৈলাশে চলিলা দেৱী পদোমাই ॥

পদ্মাক দেখিলা ইন্দ্ৰ সচকিত মন।
কি কাৰণে মাতা তুমি এথা আগমণ ॥
আনি দিলা পদ্মাক বসিতে সিংহাসন।
কিয়বা আসিলা মাও মোহোৰ ভবন ॥
সুকবি নাৰায়ণ দেৱৰ সুৰস পাচালী।
পদ্মাৰ বচন বুলি একই লেছাৰি ॥

দিহা—ইন্দ্ৰে পোছয় বাণী।
ইন্দ্ৰই পোছয় বাণী শুনা শিৱৰ নন্দিনী
মোৰ ঠাই কিবা প্ৰয়োজন ॥
বোলে অনন্তৰ আই আসিলো তোমাৰ ঠাই
উষা অনিৰুদ্ধ দিয়া মোৰে।

Library books will give you joy for long
if handled carefully with clean hands

দুষ্ট ৰাজা চন্দ্ৰধৰ চম্পক নগৰে ঘৰ
মোৰ পূজা নাই তাৰ ঘৰে ॥
বিনাশিতে চাও সাধু উষাক কৰো পুত্ৰবধু
তবে পাৰো বাদ সাধিবাৰে ॥
ইন্দ্ৰে বোলে উষা অনিৰুদ্ধ চিৰকাল স্বৰ্গে ভোগ
মনুষ্যক যাবো কোন ফলে।
যদি উষা নাচে ভাল কপটে ভাঙিবো তাল
তুমি শাপ দিবা সেই কালে ॥
ইন্দে কৈলা অঙ্গীকাৰ উষাৰ নৃত্য দেখিবাৰ
শুনি পদ্মাৰ হৰষিত মন।
নাৰায়ণ দেবে কয় সুকবি বল্লভ হয়
উষাৰ দুঃখ হৈলা সেই দিনে ॥

দিহা— আজু হৰে আজু হৰে
হৰেৰ অতনা দুঃখ নসয় পৰাণে।
ব্ৰহ্মা বিষ্ণু নহে চান্দো নহে পুৰন্দৰ।
কুবেৰ বৰুণ নহে ধনৰ ঈশ্বৰ।
মনুষ্য মেলেচ সমে বিসম্বাদ কৰি।
দেবতাৰ ভোগ নষ্ট কৈলা বিষহৰি।

তোমাৰ বীৰত্ব শুনি কমলাৰ বনে।
মহাদেৱ ঢলি পৰে বিষৰ নয়নে ॥
বিষ নয়ন গুচি ভৈলা অমৃত নয়ন।
সেহি বেলা মহাদেব লভিলা চেতন ॥

পদ্মা বোলে শুনা ৰাজা আমাৰ উত্তৰ।
উষা অনিৰুদ্ধ দিয়া বাদ সাধিবাৰ ॥
যেহি দিনা পূজে সাধু কনক কমলে।
ৰথে তুলি দিয়া যাম দুই বিদ্যাধৰে ॥

শুনা শুনা ৰাজা তুমি দেৱ পুৰন্দৰ।
আমি চাৰ বুলি কিছু নোবোলা উত্তৰ।
সময়ত সম হোৱা সময়ত উল্কাপাত।
সংসাৰ ৰাখিতে ভাৰ আছয় তোমাত ॥

এক নিবেদন মই কৰিছো তোমাতে।
উষা অনিৰুদ্ধ দিয়া বিবাদ সাধিতে ॥
হৰ গৌৰী পূজা চান্দো কৰে নিতে নিতে।
এই কাৰণে নপাৰো মই তাহাৰ সহিতে ॥

হৰ গৌৰী পূজি বেটা পাই আছে বৰ।
মোৰ সঙ্গে বাদ তবে কৰে নিৰন্তৰ ॥

লুকাই চোৰে যিবা জনে দেই বেলপাত।
আগে দন্দ্ব কৰে পাছত কাটে যাত ॥
দেশ দেশান্তৰে থাকি যিবা জনে পূজে।
ছয় মাহ কষ্ট কৰি তাৰ সঙ্গে যুজে ॥

চিত্ৰলেখাক দেখি ইন্দ্ৰে কহিলেক ডাকি।
উষা অনিৰুদ্ধক আনা আজি নৃত্য দেখি ॥
সুকবি নাৰায়ণ দেৱৰ সুৰস পাচালি।
উষাৰ চলনা বুলি একই লেছাৰি ॥

দিহা—চলা উষা সত্বৰ বিলম্ব নকৰ
আজি নৃত্য দেখে পুৰন্দৰ।

লাস বেশ পূৰ্ণ কৰি চলা উষা সুন্দৰী
আজি তাল ধৰা দৃঢ় কৰি।
যদি নৃত্যে ভুতে তাল পাছত নাপাবি ভাল
আসিয়াছে জয় বিষহৰি ॥
উষাই বোলে চিত্ৰলেখা আজি কৰা অপেক্ষা
কুস্বপ্ন দেখি আছো আমি।
উঠিয়া শয্যাৰ হন্তে ছালে ঠেকিয়াছে দন্তে
অগ্নি কোণে পৰি আছে হাচি ॥

অনিৰুদ্ধে কৈলা তাতে স্বপ্ন দেখো প্ৰভাতে
খহি পৰে চুড়া পৰ্ব্বতৰে।
বামচকু বাম নাকে প্ৰাণ মোৰ চমকে
নৃত্যক নাযাব উচিত মোৰে॥
উষা বোলে অনিৰুদ্ধ কিয় কৰা বিৰুদ্ধ
যিবা লিখি আছে প্ৰজাপতি।
নাৰায়ণ দেৱে কয় সুকবি বল্লভ কয়
ৰঙ্গমঞ্চে চলা শীঘ্ৰগতি॥

দিহা—ভূবন মোহন ৰূপ নাগৰী হয় নাৰে হয়
হৰিষে সুন্দৰী উষা দিলা আগুসাৰ।
শূণ্য ঘটে দেখে আগে তেলিৰ পহাৰ।
পাখা মেলি বাট বন্ধ কৰিছে গৃধিনী।
হাতে ঠাল মুক্তকেশী সম্মুখে যোগিনী
আৰু দেখিলেক উষা কঙ্ক যে শৃগাল॥
দক্ষিণে জম্বুকি চলে বামে বিষধৰ।
বিমঙ্গল দেখি উষা গুণে মনে মন।
হেন বিমঙ্গল দেখি নাচিবা কি মন॥
দিহা—হয় নাৰে চিন্তে সুন্দৰী উষা—

চিন্তিলা সুন্দৰী উষা বসি মঞ্চ ঘৰে।
কিমতে নাচিব প্ৰাণ চমকিত কৰে॥
চিত্ৰ লেখা বোলে উষা নকৰা ক্ৰন্দন।
যিবা দেৱ সহায় আছে কৰা সুমৰণ॥

পিতা মোৰ দৈত্যপতি শোণিতপুৰে ঘৰ।
সৰ্ব্বকালে পূজে তেওঁ উমা মহেশ্বৰ॥
শিশুকাল হন্তে উষা চণ্ডী পূজে নিতে।
ধূপ দীপ ফুল লৈয়া পূজে এক চিতে॥

ধ্যানত জানিয়া পদ্মা গৈল চণ্ডীৰ ঠাই।
উষাৰ পূজাক তুমি নাযাবা সতাই॥
আমাৰ শপত কাৰ্ত্তিকৰ মাথা খাস।
উষাৰ পূজাৰ ঠাই যদি সতাই যাস॥

পদ্মাৰ কপটে চণ্ডী পাতিলা কপট।
উষাই পূজিলা চণ্ডী নগৈলা নিকট॥
সুকবি নাৰায়ণ দেৱৰ সুৰস পাচালি।
উষাৰ নাচন বুলি একই লেছাৰি॥

দিহা। বা'ল মোৰ সাজে অ উষাই কাচান কাছে
চিত্ৰলেখা আনি দিলা সুবৰ্ণ দাপনি।

দাপনিক চাই ঊষা পিন্ধে নানা মণি ॥
পূৰ্ণিমাৰ চন্দ্ৰ যেন দাপনি এৰিয়া ।
অলঙ্কাৰ পিন্ধে ঊষা তাৰ ফালে চাইয়া ॥
সুবৰ্ণৰ কাকৈ দিয়া আজুৰিলা মুৰ ।
বৰ খোপা বান্ধি পিন্ধে পাৰিজাত ফুল ॥
বেলি পশ্চিমে হেন উঠি আছে চান্দে ।
এক খোপা খহাই ঊষা আৰু খোপা বান্ধে॥
শিখাত সিন্দূৰ পিন্ধে অগণিত অতি ।
গলত তুলিয়া পিন্ধে হাৰ গজমতি ॥
দুই কৰ্ণে সুবৰ্ণৰ কুণ্ডল প্ৰকাশে ।
চকৰি উৰিছে যেন মলয় বতাসে ॥
দহ আঙুলিত পিন্ধে সোণৰে আঙুঠি ।
হাতত পিন্ধিলা বালা অতি মন তুষ্টি ॥
নৰ মোহন খোপা বান্ধি নাপাইলা ভাল
দেৱতা মোহন খোপা লাগে বান্ধিবাৰ ॥
ভুবন মোহন খোপা বান্ধিলা সুন্দৰী ।
দেৱতা মোহন খোপা বান্ধে ভাল কৰি ॥
অলঙ্কাৰ পিন্ধি ঊষা হৰষিত মন ।
লাগিল পিন্ধিব গই দেৱাঙ্গ বসন ॥

দেৱতাৰ বস্ত্ৰখন দেখিব সুন্দৰ।
তাহাতে লেখা আছে দহ অৱতাৰ ॥
মীন ৰূপ লেখি আছে জলে প্ৰবেশ কৰি।
যেন মতে চাৰি বেদ উদ্ধাৰিলা হৰি ॥
কুৰ্ম্ম ৰূপ লেখা আছে দেখিব সুন্দৰ।
ধৰণীখন ধৰি আছে পিঠীৰ ওপৰ ॥
নৰসিংহ আঁকি থৈছে হিৰণ্য বিদৰে।
বামুণ ৰূপ ধৰি আছে বলিক ছলিবাৰে ॥
পৰশুৰাম লেখা আছে খড়্গ চৰ্ম্ম হাতে।
এক বাণে নিঃক্ষত্ৰি কৰিলা পৃথিবীকে ॥
ৰামৰূপ অঙ্কি আছে সাগৰ বন্ধন।
বান্দৰ সহায় লৈ বধিছে ৰাৱণ ॥
শ্ৰীকৃষ্ণ আঁকি আছে দেখিব সুন্দৰ।
বলোৰাম সৈতে বৎস ৰাখে নন্দ ঘৰ ॥
বুদ্ধৰূপ লেখা আছে সবৰ শেহতে।
ব্ৰহ্মায় প্ৰাৰ্থনা কৰি থাকে এহি মতে ॥
দুই কাষে গন্ধৰ্ব্বই মৃদঙ্গ বজাই।
অস্ত স্ফোট দিয়া ঊষা নাচিবাক যায় ॥
অস্ত স্ফোট দিয়া ঊষা দিলা আগুসাৰ।
মৃদঙ্গৰ চেঞে চেঞে ইন্দ্ৰক নমস্কাৰ ॥

দিহা। নাচে উষা সুন্দৰী ৰত্ন অলঙ্কাৰ ভবি
নাচে উষা অবলা সুন্দৰী।
ইভিতি সিভিতি কৰি নাচে উষা সুন্দৰী
পাক লৈলা ভোমোৰা আকাৰ।
তালে তালে দিয়া পাও চমকি উঠয় গাও
ডাক ছাড়ি দিলা পুৰন্দৰ ॥
মন কৰে মনসা তাল ভাঙিবাৰ আশা
কোপ দৃষ্টে মাৰিলা হুঙ্কাৰ।
পদ্মায় কপট কৈলা যেবে তাল ভঙ্গ হৈলা তেবে
পৰে উষা ভূমিৰ ওপৰ ॥
দিহা। ৰাধেৰ বধূয়া চয় কানুৰ ঘৰে সাজে
আমি যাও আপোনাৰ কাজে ॥
পুনৰপি নৃত্য কৰে উষা যে সুন্দৰী।
তাহাক দেখিয়া আছে জয় বিষহৰি ॥
ইন্দ্রে বোলে শুনা উষা আমাৰ উত্তৰ।
ভাল মতে পুনৰপি আৰু নৃত্য কৰ ॥
ৰাক্ষসীৰ মায়া পদ্মায় ধৰিলা আকাশে।
ৰাক্ষস দেখিয়া সব দেৱতা তৰাসে ॥
সেহি বেলা অনিৰুদ্ধে নকৰিলা ভাল।

ৰাক্ষসৰ দৃষ্টি পৰি তুতি গৈলা তাল ॥
তাল তুতি সভা ভাঙে ইন্দ্ৰৰ মনস্তাপ ।
ছিদ্ৰ পাই দেৱৰাজে দিলা ব্ৰহ্মশাপ ॥
যোৱা উষা অনিৰুদ্ধ মনুষ্য নগৰে ।
মৰ্ত্তলোকে থাকা গৈয়া দ্বাদশ বছৰে ॥
যেই দিনা চান্দো পূজে কনক কমলে ।
মনসাৰ কৰ্ম্ম কৰি আহিবা সোনকালে ॥
সুকবি নাৰায়ণ দেৱৰ সুৰস পাচালি ।
উষাৰ ক্ৰন্দন বুলি একই লেছাৰি ॥

দিহা । মোৰ হৰি নাৰে

ইন্দ্ৰৰ চৰণে ধৰি কান্দে উষা সুন্দৰী ॥
কহা বাপু চিত্ৰগুপ্ত কৰিলো কোনো পাপ
কি কাৰণে দেৱৰাজে দিলা ব্ৰহ্মশাপ ॥
উষাই মাগিল গৈ শচীত মেলানি ।
চল চল কৰি শচীৰ চকু বয়ে পানী ॥
অনিৰুদ্ধ বিদায় মাগন্ত দেৱৰাজে ।
অনিৰুদ্ধৰ মুখ ইন্দ্ৰে নাচাইল লাজে ॥
দুয়ো জনক পাই পদ্মাৰ হৰষিত মন ।
দুয়োকো ৰথত তুলি কৰিলা গমন ॥

ত্বৰিত গমনে গৈলা সাগৰৰ কুলে।
ৰথত বহি উষাই মনসাক কলে ॥
অৰাজ্য দেখোহো মই নৰৰ ভুবন।
এবে কোন কৰ্ম্ম কৰো আমি দুয়ো জন ॥
উষাৰ বচনে পদ্মা একোকে নকৈলা ।
সাগৰৰ পাৰে গৈ অগনি জ্বালিলা ॥
পদ্মা বোলে শুনা উষা বচন অশেষ ।
দুয়োজনে কৰা এবে অগ্নিত প্ৰবেশ ॥
উষা বোলে প্ৰাণ আমি ত্যাজিব কি মনে।
এক বৰ মাগো আমি শুনিয়ো শ্ৰবণে ॥
হেৰালি বস্তুক পাইব মৰাক জীয়াইব।
তোমাৰ কৰ্ম্ম কৰি পুনু স্বৰ্গ বাসে যাব ॥
সুকবি নাৰায়ণ দেৱৰ সুৰস পাচালি।
উষাৰ মৰণ বুলি একই লেছাৰি ॥
দেহা। হায়ৰে উষা প্ৰাণ ত্যাজে পদ্মা বিদ্যমান ॥
পদ্মা বোলে শুনা উষা আমাৰ বচন ।
মৰাক জীয়াবি হেৰালি পাবি ধন ॥
বিপদে পৰিলে তোৰ হইব সহায়।

পদ্মাই সত্য কৰে ঊষা মৰিবাক যায় ॥
অনিৰুদ্ধে তীৰ্থ স্নান কৰিলেক জলে।
দেৱতা পিতৃগণ পূজিলা সকলে ॥
মনস্থিৰ কৰি বীৰে কৰিলেক যাস।
হৰিক চিন্তিয়া অগ্নি মাজে দিলা জাপ ॥
স্বামীৰ মৰণ দেখি ঊষা যে সুন্দৰী।
অনলত জাম্প দিয়া বোলে হৰ গৌৰী ॥
দুয়োজনৰ আত্ম বন্ধ কৰে বিষহৰি।
সোণাৰ সফুৰাত ভৰাই থৈলা যত্ন কৰি ॥
পাণ্ডু নাগৰ নেজত বান্ধিলা বিষহৰি।
অবিলম্বে যাই নাগ আপোনাৰ পুৰি ॥
আত্ম লৈ পাণ্ডু নাগ কৰিলা গমন।
পথে নাৰদৰ সাথে হৈলা দৰশন ॥
নাৰদ বোলে শুনা পাণ্ডু আমাৰ বচন।
সফুৰাৰ ভিতৰে তুমি নেহ কিবা ধন ॥
তাক শুনি পাণ্ডু নাগে লাগে বুলিবাৰে।
ঊষা অনিৰুদ্ধৰ আত্মা ইয়াৰ ভিতৰে ॥
স্বৰ্গ মৰ্ত্ত্য পাতালত যত জীৱ মৰে।

সবাক বান্ধিয়া নেই যমৰ কিঙ্কৰে ॥
হেন আত্মা পাণ্ডু তই কি কাৰণে নেহ ।
বিৰাদ লগাবো আজি যম পদ্মাৰ সহ ॥

দিহা । অ নাৰদ চলিলা ৰে
যমৰ ভবনে নাৰদ চলিলা ৰে
চাৰি কাষে নদী বৈতৰণী ।

ষোল শত যোজন যম ৰাজাৰ ভবন
চাৰি কাষে নদী বৈতৰণী ॥
মাংসৰ শোণিত বয় দুৰ্গন্ধ বহিয়া যায়
পান কৰে পাতকি সকল ।
পাপী পাৰ হব খোজে পিছে যায় আগে নাসে
মাংস টানি খাই যে শৃগাল ।
নাৰায়ণ দেৱে কয় সুকবি বল্লভ হয়
নাৰদ মুনি কৰিলা গমন ।

দিহ । ভজৰে পামৰু মন হৰি চৰণতে ।
কি বুলি উত্তৰ দিম যম কৰণতে ॥
পাপীৰ দুৰ্গতি দেখি নাৰদ তপোধন ।
যমক সম্বোধি মুনি বুলিলা বচন ॥

নাৰদ বোলে শুনা যম আমাৰ বচন।
মন দিয়া শুন কওঁ যত বিৱৰণ ॥
কি দোষ কৰিলে কিবা পাপক ভুঞ্জয়।
তাহাৰ উপায় কহিয়োক মোৰ ঠাই ॥

অকাৰণে বন পুৰি বহু জন্তু মাৰে।
সন্ধ্যা কলে অথিতি খেদাই অন্য ঘৰে ॥
অতিথি ৰাখিয়া যিবা নকৰে পালন।
অগ্নি কুণ্ড নৰকত তাহাৰ গমন ॥

ফলবন্ত বৃক্ষবোৰ যিটো নৰে কাটে।
পৰস্ত্ৰী পাইয়া যিবা বল কৰে বাটে ॥
স্বগোত্ৰত বিয়া কৰে মাতৃ নামে কন্যা।
কৰ্ম্ম কৰি ব্ৰাহ্মণক নেদয় দক্ষিণা ॥

ক্ৰোধ কৰি ব্ৰাহ্মণক চক্ষু পকাই চাই।
কুম্ভীৰ নৰকত তাহাৰ প্ৰাণ যাই ॥
ধাৰ দিয়া যিটো জনে সাধে সুদ কড়ি।
যম দুতে মাৰে তাক দোহতীয়া বাৰী ॥
নাৰদ বোলে শুনা যম আমাৰ বচন।
মন দিয়া শুনা কও যত বিৱৰণ ॥

PLEASE HA... ...REFULLY.



স্বৰ্গ মৰ্ত্ত্য পাতালত যত মৰা মৰে ।
সবাক বান্ধিয়া নেই যমৰ কিঙ্কৰে ॥
উষা অনিৰুদ্ধ ছিলা ইন্দ্ৰৰ নগৰী ।
মায়া কৰি হৰিয়া আনিলা বিষহৰি ॥
দুয়ো জনৰ আত্মা বন্দী কৰি বিষহৰি ।
অবিলম্বে যাই নাগ আপোনাৰ পুৰী ॥

নাৰদ বোলে শুনা যম কথা হৈলা বিষম
শুনা তুমি মোহোৰ বচন ।
দুত পাঞ্চা শীঘ্ৰ কৰি আত্মা আনক পাণ্ডুক মাৰি
পদ্মাৱতী পাওক অপমান ॥

দিহা । মোৰে জীৱন ধন কালিয়া হেৰ
কালিয়া হেৰ অ মোৰে ৰসেৰ নালাগিল দয়া ॥
নাৰদৰ বচনে যমৰ দুঃখ ভৈলা মনে ।
চাৰি গোট দুত পাঞ্চি দিলা তেতিক্ষণে ॥
যমৰ বচন দুতে শুনি তেতিক্ষণ ।
পাণ্ডুৰ নিকটে গই দিলা দৰিশন ॥
স্বৰ্গ মৰ্ত্ত্য পাতালত যত জীৱ মৰে ।
সবাক লইয়া যাও যমৰ কিঙ্কৰে ॥

আত্মা গোট কাঢ়ি নিম তোমাৰ ভাঙি মাথা ।
কান্দি কান্দি পদ্মাৰ আগত কৰি কথা ॥
পাণ্ডু বোলে মাটি খোৱা শুনহে ভাকুৱা ।
মোৰ হাতৰ আত্ম তই নিবি কাঢ়িয়া ॥
এই বুলি পাণ্ডু নাগে নেজ-কোব লাৰে ।
ভূমিত বাগৰি চাৰি যম দূত পৰে ॥
যুদ্ধ হাৰি দূতৰ দুঃখিত ভৈলা মন ।
কান্দি কান্দি যমত কহিলা তেতিক্ষণ ॥

দিহা । ৰাম নাম নললি অবনীতে ।
লোহাৰ দাং মাটিত থৈ কান্দে যমদূতে ॥
দূতৰ বচন যম শুনি তেতিক্ষণে ।
তিনি কোটি দূত পাঞ্চি দিলা ৰঙ্গ মনে ॥
তিনি কোটি দূত সহ নাগ একেলশ্বৰ ।
কৰিব নোৱাৰি যুদ্ধ মনত পালে ডৰ ॥
আত্মা কাঢ়ি নিলা নাগৰ ভাঙি মাথা ।
কান্দি কান্দি নাগে পদ্মাত কহে কথা ॥
নাগৰ কথা শুনি পদ্মাৰ দুখ ভৈলা মন ।
নেতা নেতা বুলি পদ্মা মাতে ঘনে ঘন ॥

পদ্মাৰ বচন নেতা শুনিয়া শ্ৰবণে ।
ডাক দিয়া আনে নেতা যত নাগ মানে ॥
স্বৰ্গ মৰ্ত্ত্য পাতালত যত নাগ বাস ।
সকল চলিয়া আইলা পদ্মাৰ আদেশ ॥
নাগ দেখি পদ্মাৱতীৰ হৰষিত মন ।
চাৰি ৰাজ হংস ৰথ সাজে তেতিক্ষণ ॥
চাৰি হাতে তুই ধনু বিষহৰি ধৰে ।
শীঘ্ৰ কৰি উঠে পদ্মা ৰথৰ উপৰে ॥

দিহা । অ' কানাই ব্যাকুল ভৈলা মন অ'
শুনিয়া মুৰুলি ধ্বনি ৰৈতে নাৰি ঘৰে ॥
তিনি কোটি নাগ সেনা সাজে ৰঙ্গ মনে ।
পদ্মা হৰিষে ৰথে উঠে তেতিক্ষণে ॥
বৈতৰণী পাৰ হৈয়া কৰিলা গমন ॥
যমৰ ভুবনে যাই দিলা দৰশন ॥

দূত পাঠি দিলা পাণ্ডুক যমৰ আগত ।
শীঘ্ৰ কৰি যমত কহিলা কথা যত ॥
দূতে বোলে শুনা যম আমাৰ বচন ।
পদ্মাৰ সহিত যুদ্ধ কৰা এতিক্ষণ ॥

আত্মা গোট কাঢ়ি নিলা দুতৰ ভাঙি মাথা ।
কান্দিয়া কান্দিয়া দুতে যমত কহে কথা ॥
তাক শুনি যম ৰাজাৰ বিষাদিত মন ।
সাজ সাজ বুলি যম মাতে ঘনে ঘন ॥
তিনি কোটি দুত সঙ্গে কৰিলা সাজন ।
যুদ্ধৰ নিমিত্তে যম চলে তেতিক্ষণ ॥
নাগে দুতে দেখা দেখি হৈলা যেতিক্ষণ ।
দুয়ো দলৰ মহা যুদ্ধ হইল সিথান ॥
পদ্মাৰ শৰত কত দুত গৈলা মৰি ।
দুতে গৈ কহিলেক যমত বাতৰি ॥
তাক শুনি যম ৰাজাৰ মহা দুখ মন ।
মহিষ বিমানে উঠি কৰিলা গমন ॥
যম দণ্ড হাতে লৈলা দেখি লাগে ভায় ।
শীঘ্ৰ কৰি উঠি যম বিমান চলায় ॥
সুকবি নাৰায়ণ দেৱৰ সুৰস পাচালি ।
যম পদ্মাৰ যুদ্ধ পদ একই লেছাৰি ॥

দিহা । এ যুদ্ধ লাগিল ৰে
দেৱীৰ সহিত যুদ্ধ লাগিল ৰে ॥

নাগে দুতে দেখা দেখি হুইল সত্বৰ।
দেৱীৰ সহিত ঘোৰ লাগিল সমৰ ॥
পৰশু তোমৰ আদি ভল্ল দশ বান।
দেৱীক লাগিয়া যমে কৰিলা সন্ধান ॥
পুনশ্চ শক্তি হাতে লইলা সত্বৰে।
দেৱীক লাগিয়া শক্তি লইলা বৰ্ব্বৰে ॥
ক্ষুৰ পাট বাণ দেৱী মানিয়া পাঠাইলা।
যমৰ অস্ত্ৰ কাটি ভূমিত পেলাইলা ॥
অস্ত্ৰ নষ্ট দেখি যমেৰ ক্ৰোধ ভৈলা অতি।
যম দণ্ড হাতত লৈ কৰিলেক গতি।
নামাৰন্তে যমে বোলে জয় বিষহৰি।
যিবা আছে চেষ্টা তুমি দেহ ৰক্ষা কৰি ॥
তাকে দেখি পদ্মাৱতীৰ ভয় ভৈলা মনে।
আথে বেথে নাগপাশ লৈলা তেতিক্ষণে ॥
যম দণ্ড ভৰে মহী কৰে টল বল'।
বিমানত বহি চাই অমৰৰ দল ॥
মন্ত্ৰ অভিষেক কৰি পদ্মা অস্ত্ৰ এৰিলা।
হাতে গলে যমৰাজক বান্ধিব লাগিলা ॥

ভূমিত পড়িয়া যম থাকিল বাগৰি।
হাতে খড়্গ ধৰি যাই জয় বিষহৰি ॥
মোহোৰ আগত কথা কহিছা সকলে।
অকালত সৃষ্টি নষ্ট কৰিবাক বলে ॥

স্বৰ্গত বসিয়া আছে যত দেৱগণ।
কৰিবাক পাৰে ভস্ম বিষৰ নয়ন ॥
যম বন্ধ দেখি দেৱৰ ভয় ভৈলা মনে।
ভক্তি ভাৱে স্তুতি কৰে পদ্মাৰ চৰণে ॥
দেৱগণে বোলে শুনা দেৱী বিষহৰি
অৰাজ্যক ৰাজ্য নষ্ট কৰা কেন কৰি ॥
পদ্মাক চাহিয়া দেৱে বুলিলা বচন।
আত্মা লৈয়া পদ্মা তুমি কৰহ গমন ॥
তাক শুনি পদ্মাৱতীৰ হৰষিত মন।
মন্ত্ৰ পাঢ়ি নাগপাশ খোলে তেতিক্ষণ ॥
পাশ খুলি পদ্মাৱতী হৈব অন্তৰ্দ্ধান।
যমে বোলে শুনা পদ্মা আমাৰ বচন ॥
আত্মা নেহ পদ্মাৱতী শুনহ উত্তৰ।
বাদ সাধি পুনৰপি দিবাহা তহৰ ॥

Plı ।ﾘ ''



মোৰ এই বাক্য তুমি কৰিয়া পালন।
আত্মা লৈয়া পদ্মাবতী কৰহ গমন॥
বিদায় হৈলা পদ্মাৱতী অতি ৰঙ্গমনে
নেতা পদ্মা দুয়োজনে কৰিলা গমনে॥
সুকৱি নাৰাযণ দেৱৰ সুৰস পাচালি।
পদ্মাৰ চলন বুলি এক লেছাৰি॥
নামে ভৱ নামে সিন্ধু মুকুন্দ মুৰাৰী।
সবাৰো দুৰ্গতি খণ্ডক বোলা জয় হৰি॥

—— ঊষা-হৰণ শেষ——

———

সাথৰ

সখিৰে বিৰাট তনয় দেহ দান
বায়স আজ ৰব অন্তৰ জৰ জৰ
কি ভৈলা মোৰ পাপীণী পৰাণ।
চৌদিশে দ্বিগুণ কৰি বানে পূৰি বস্ত্ৰ হৰি
ললাটে মোৰ তাহান সমান
ৰাম সাগৰে পূৰি দিশাপতি উন্ কৰি
তাকে খাই মই ত্যাজিম পৰাণ॥

শহুৰেকৰ প্ৰশ্ন —

হৰিহৰ চক্ৰে যো বীৰ উপজিল
তাপিত কৰ্ণক বাপে।
হুতাশন তাপে যো বীৰ উত্তৰিল
সে বীৰ পৰিল কেমন বিপাকে ?

বোৱাৰীয়েকৰ উত্তৰ—

সৰ্ব্বধৰ তাধৰ তাধৰ বিপৰীত নাদে।
শীত পতি মিতক ভিতক পিতক গমনক বাধে
অলি বাহন বাহন হামু গৈয়ো।
শশী বাহন বাহন ঠেক ভৈয়ো॥
পবন সুতাসুত ভাগি গৈয়ো।
ৰবি সুত মম কৰে লাগি ৰৈয়ো॥

---

সুৰ অৰি ৰিপু মিতা, তাহান সেৱক পিতা
বাহনক দেখি লাগে মন্থু।
তিনাক্ষৰ মনে কৰি, শেষাক্ষৰ বাদ কৰি
তান বিনে দহে মোৰ তনু॥

Library books will give you fun for long
if handled carefully with clean hands

১৩১৩ চনৰ স্থাপিত

# ৰজনী প্ৰভা এজেন্সী

পোঃ অঃ কমাৰকুচি, কামৰূপ—

তলৰ লিখা কিতাপ আৰু পুথি বিলাক আমাৰ লিখিলে পাব পাৰিব। ইয়াৰ বাহিৰেও আন সকলো অসমীয়া আৰু বঙালী কিতাপ আছে। উচিত মতে উপহাৰ, কমিচন দিয়া হব।

| | |
|---|---|
| সন্তোষ গণনা | ঝিহলী বড়গীত |
| উষা হৰণ | ভাউৰা পুৰাণ |
| ধনন্তৰী বধ | পটন্তৰ মালা |
| পুষ্পধাৰী | শক্তিশেল উদ্ধাৰ |
| বিষহৰিৰ জন্ম | কামৰূপীয়া বিয়াৰ গীত |
| পৰীক্ষিত বধ | বেহুলাৰ সত্য পৰীক্ষা |
| মৎস্য বিবাহ | সৰ্ব্বঢাক মন্ত্ৰ |
| সীতা সয়ম্বৰ | শ্ৰীকৃষ্ণৰ ব্ৰজলীলা |
| চন্দ্ৰধৰৰ ডিঙাগঠন | শ্ৰীকৃষ্ণৰ গোষ্ঠলীলা |
| অভিমন্যু বধৰ নাম | শ্ৰীশ্ৰী হৰগৌৰী লীলা |
| দাতা কৰ্ণৰ নাম | শকুন্তলাৰ নাম |
| লখিন্দাৰৰ স্বৰ্গাৰোহন | পটন্তৰ মালা |
| | শ্ৰীশ্ৰী পদ্মাৱতীৰ বিয়া |

# ৰজনী প্ৰভা এজেন্সী

পোঃ অঃ কমাৰকুচি, কামৰূপ